# PLACE OF NEO-VAIṢṆAVITE MOVEMENT OF ASSAM IN BHAKTI MOVEMENT OF INDIA: A HISTORICAL COMPARISON



*Edited by*

Dr. Nara Kanta Adhikary



Bijaya Deka
6-9-16

Proceedings Volume of National Seminar

on

# Place of Neo-Vaisnavite Movement of Assam in Bhakti Movement of India: A Historical Comparison

*Edited by*
**Dr. Nara Kanta Adhikary**

*Sponsored by*
**UGC, NERO**
**Guwahati**

*Organized by*
**Department of History**
**Dakshin Kamrup Girls' College**
**Mirza- 781125, Kamrup, Assam**

The Proceedings volume published on the occasion of UGC sponsored National Seminar on 'Place of Neo-Vaisnavite Movement of Assam in Bhakti Movement of India: A Historical Comparison'

Organized by : Department of History, Dakshin Kamrup Girls' College
Mirza- 781125, Kamrup, Assam

In collaboration with : Kamarupa Anusandhana Samiti
(Assam Research Society)
1st and 2nd July, 2016

Published by : National Seminar Organizing Committee
Department of History

Sponsored by : UGC, NERO, Guwahati

First edition : 5th Sept. 2016

Edited by : Dr. Nara Kanta Adhikary

Review Committee :

Dr. Gajendra Adhikary, Principal/President
Mrs. Sanghamitra Singha, Vice President
Dr. Nara Kanta Adhikary, Coordinator
Dr. Ranjan Bhuyan, Vice Principal/Member
Mr. Ripun Doley, Member

Cover Designed by : Dr. Nara Kanta Adhikary

© National Seminar Organizing Committee, Department of History, Dakshin Kamrup Girls' College, Mirza- 781125, all rights reserved. No part of the publication may be reproduced stored in retrieval system or transmitted, in any form by any means without the prior permission of the copyright owner and the publishing committee.

Price : 700/- (Rs. Seven hundred only)

ISBN : 978-81-202-8823-8

**Declaration :** The responsibility of the facts, opinion expressed or conclusions reached in the Proceeding is entirely that of the authors and the editor and the publishing committee do not bear any responsibility for them.

Printed at : Jagaran Press, Rajgarh, Guwahati-781103, Kamrup, Assam, Mobile No.: +91 87539 23427, +91 96780 82083

৮. ভাৰতবৰ্ষৰ ভক্তি আন্দোলনৰ প্ৰেক্ষাপটতত শংকৰদেৱৰ অংকীয়া নাটৰ স্থান ✍ ৰবী ৰভা ৫০৭

৯. মহাপুৰুষ শংকৰদেৱ আৰু অসমৰ নৱবৈষ্ণৱ ভক্তি আন্দোলন ✍ মৰমী কলিতা ৫১৭

১০. অসমৰ নৱবৈষ্ণৱ আন্দোলনত মহাপুৰুষ শ্ৰীশংকৰদেৱৰ ভূমিকা এটি বিশ্লেষনাত্মক অধ্যয়ন ✍ প্ৰণামী গোস্বামী আৰু নৱনীতা গোস্বামী ৫২৭

১১. অসমৰ ভক্তি আন্দোলন আৰু শ্ৰীমন্ত শংকৰদেৱ (ভাৰতীয় ভক্তি আন্দোলনৰ আঁত ধৰি) ✍ পূৰৱী বড়ো ৫৩৫

১২. মহাপুৰুষ শংকৰদেৱৰ ভক্তি আন্দোলনৰ লগত ৰামানুজ আৰু চৈতন্যদেৱৰ ভক্তি আন্দোলনৰ এটি তুলনামূলক আলোচনা ✍ দৰ্পনা চৌধুৰী ৫৪২

১৩. অসমৰ নৱ-বৈষ্ণৱ ভক্তি আন্দোলন আৰু সত্ৰানুস্থান ঃ এটি চমু বিশ্লেষণ ✍ গীতিকা মহন্ত ৫৫২

১৪. চিহ্ন যাত্ৰাৰে অসমীয়া নাট্যসাহিত্যত শংকৰদেৱৰ প্ৰথম পদক্ষেপ ✍ জ্যোতিৰেখা কেওঁট ৫৬২

১৫. নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰতি নৱ-প্ৰজন্মৰ মনোভাৱ ঃ এক অধ্যয়ন ✍ বিজয়া ডেকা ৫৭৭

১৬. জাতীয় ঐক্য সংহতিত শংকৰদেৱ প্ৰৱৰ্তিত নৱ-বৈষ্ণৱ ভক্তি আন্দোলনৰ ভূমিকা ✍ কিশোৰ কলিতা আৰু গুণদা দাস ৫৮৫

## HINDI SECTION

1. भारतवर्ष में भक्ति आन्दोलन के समय की ऐतिहासिक पृष्ठभूमि पर तीर्थयात्री श्रीमंत शंकरदेव का विशेष संदर्भ का अवलोकन- ✍ अनिल कुमार राय ৫৯৫

# নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰতি নৱ-প্ৰজন্মৰ মনোভাৱ ঃ এক অধ্যয়ন

বিজয়া ডেকা

১. পাতনি ঃ

মধ্য যুগত ভাৰতবৰ্ষৰ বিভিন্ন ধৰ্মৰ লগতে ভক্তি আন্দোলনে গা কৰি উঠে। 'প্ৰকৃততে ভাৰতীয় ভক্তি আন্দোলন ভাৰতীয় ৰাজনৈতিক, ধাৰ্মিক আৰু সামাজিক পৰিস্থিতিৰ পৰা উদ্ভৱ হৈছে। ইয়াক এনে ভাবেও ক'ব পাৰি যে ভাৰতীয় সমাজৰ বিভিন্ন যুগৰ নানা পৰিস্থিতিৰ ক্ৰিয়া প্ৰতিক্ৰিয়াৰ ফলস্বৰূপে ভাৰতত বিভিন্ন ঠাইত ভক্তি আন্দোলনে সময়ে সময়ে একোটা ৰূপ গ্ৰহণ কৰিছে।' (শৰ্মা ঃ ২০০৪ঃ ৩)

ভক্তি আন্দোলনক বৈষ্ণৱ ধৰ্মও বোলে। বৈষ্ণৱ ধৰ্মৰ মুল দেৱতা হ'ল বিষ্ণু। 'বিষ্ণু' শব্দৰ অৰ্থ হৈছে যি সকলোতে পৰিব্যাপ্ত হৈছে। যিয়ে সমগ্ৰ বিশ্বকে নিয়ন্ত্ৰণ কৰি আছে। আনহাতে 'ভক্তি' হ'ল উপাসকৰ হৃদয় চিত্তৰ দ্ৰুতি বিশেষ অৰ্থাৎ পমি যাব খোজা অৱস্থা। উপাস্য জনৰ প্ৰতি গভীৰ অনুৰাগ আৰু এই অনুৰাগৰ আবেগিক প্ৰকাশেই ভক্তি।" (শৰ্মা ঃ ২০১৩ঃ ৬)

বিষ্ণু হৈছে বৈদিক দেৱতা। ঋক বেদতে বিষ্ণুৰ উল্লেখ আছে। বিষ্ণু আদিত্যৰে অভিব্যক্তি। কালক্ৰমত সাত্বত সকলৰ বাসুদেৱ, পাঞ্চৰাত্ৰসকলৰ নাৰায়ণ, আভীৰবোৰৰ গোপালকৃষ্ণৰ লগত অভেদ হৈ পৰে। সেইদৰে শ্বেতাশ্বত ঃ উপনিষদতেই প্ৰথমে 'ভক্তি'ৰ বিষয়ে উল্লেখ পোৱা যায়। খৃষ্টপূৰ্ব ৫ম শতিকা মানতে ৰচিত পাণিনিৰ অষ্টাধ্যায়ীত বৈষ্ণৱ সম্প্ৰদায়ৰ উল্লেখ আছে। বিষ্ণুৰ মাহাত্ম্য মহাভাৰতৰ অন্তৰ্গত শ্ৰীমদ্ভগৱদ্ গীতা আৰু শান্তিপৰ্বৰ নাৰায়ণী অধ্যায়ত উল্লেখ আছে। পুৰাণৰ যুগত অগ্নি, মৎস্য, কুৰ্ম, বিষ্ণু, পদ্ম, স্কন্দ আৰু বিশেষকৈ ভাগৱত

---

সহযোগী অধ্যাপিকা, শিক্ষা বিভাগ, জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

পুৰাণত বিষ্ণুৰ মহিমাসূচক বৰ্ণনা আছে। পদ্মপুৰণত বাসুদেৱ কৃষ্ণ নাৰায়ণ বিষ্ণুৰ সৈতে একাকাৰ হৈ পৰে। মহাভাৰতৰ অন্তৰ্গত শ্ৰীমদ্ভগৱদ্ গীতাত 'কৃষ্ণস্তু ভগৱান স্বয়ং' বুলি মানি লোৱা হয়। (কৃষ্ণ শব্দৰ অৰ্থ হৈছে যিয়ে সকলোৰে ভক্তি আকৰ্ষণ কৰে বা ভক্তিৰ উদ্ৰেক কৰে।) অকল ভক্তিৰ দ্বাৰাই ভগৱান নাৰায়ণ কৃষ্ণৰ অনুগ্ৰহ লাভ কৰিব পাৰি বুলি ইয়াত কোৱা হৈছে। (শৰ্মা ঃ ২০০৪ঃ ৫)

খৃষ্টীয় ৩য়-৪ৰ্থ শতিকাত গুপ্ত সম্ৰাটসকলৰ দিনত ভাগৱত ধৰ্মৰ প্ৰভূত প্ৰসাৰ আৰু প্ৰচাৰ ঘটিছিল। এই যুগতেই ভাগৱত ধৰ্ম আৰু বৈষ্ণৱ ধৰ্ম এক হৈ পৰে। কালিদাস, ভাস আদি কবি নাট্যকাৰৰ লিখনিত বৈষ্ণৱ ধৰ্মৰ কথা উল্লেখ আছে। সেইদৰে ৪ৰ্থ শতিকাৰ বহুতো প্ৰত্নলিপিত বাসুদেৱ, বিষ্ণু আদি বৈষ্ণৱ দেৱতাৰ নাম আৰু প্ৰশস্তি পোৱা যায়।

ভাৰতীয় ভক্তি আন্দোলনৰ আৰম্ভণি হয় দাক্ষিণাত্য বা দ্ৰাবিড় দেশত। পিছত উত্তৰ, পশ্চিম আৰু পূৱ-ভাৰতত আৰু লাহে লাহে সমগ্ৰ দেশতে ভক্তি আন্দোলনে গা কৰি উঠে। আলৱাৰ সকল, ৰামানন্দ, ৰামানুজাচাৰ্য, শংকৰাচাৰ্য, কবীৰ, নানক, চৈতন্যদেৱ, মীৰাবাঈ আদি ধৰ্ম গুৰুসন্ত সকলে বৈষ্ণৱ ধৰ্ম বিস্তাৰৰ ক্ষেত্ৰত যথেষ্ট অৰিহনা যোগায়। ভক্তি আন্দোলনৰ বিস্তাৰে সমগ্ৰ দেশৰে জাতীয় জীৱনত নৱ-যুগৰ সূচনা কৰে। এই আন্দোলনৰ ফলস্বৰূপে ভাৰতীয় সমাজ ব্যৱস্থাত এক পৰিৱৰ্তনে দেখা দিয়ে। বিশেষকৈ সমাজত চলি থকা জাতি ভেদ প্ৰথা তথা আস্পৃশ্যতা চেতনা, একেশ্বৰ বাদ ভাবধাৰা আদি ন ৰূপ গঢ় লৈ উঠে।

**১.১. ভক্তি আন্দোলনৰ বৈশিষ্ট্য ঃ**

(ক) ভক্তি ঃ বাহ্যিক আচাৰ অনুষ্ঠানৰ ঠাইত ঈশ্বৰৰ প্ৰতি গভীৰ আনুগত্য তথা ভক্তিৰ দ্বাৰাহে মুক্তি পাব পাৰি।

(খ) একেশ্বৰবাদ ঃ হিন্দু ধৰ্ম ব্যৱস্থাৰ বিভিন্ন দেৱ-দেৱীৰ প্ৰতি হোম, যজ্ঞ আদিৰ ঠাইত এজন দেৱতাৰ প্ৰতি সহজ-সৰল উপাসনা

(গ) আচাৰ-বিধিৰ সৰলতা

(ঘ) মানৱীয় মূল্যবোধত গুৰুত্ব

(ঙ) জাতি-ভেদ প্ৰথাৰ প্ৰতি উদাসীনতা

(চ) আঞ্চলিক ভাষা প্ৰচাৰ মাধ্যমৰূপে গ্ৰহণ। (শৰ্মা ঃ ২০০৪ঃ ২৪)

## ১.২. অসমত নৱ-বৈষ্ণৱ ধৰ্ম ঃ

ভক্তি আন্দোলন সৰ্বভাৰতীয় ঘটনা হ'লেও তাৰ প্ৰকাশ ঘটিছিল আঞ্চলিক বিত্তিত। পৃথক পৃথক অঞ্চলৰ আৰ্থ সামাজিক অৱস্থা, ৰাজনৈতিক পৰিস্থিতিৰ ফলস্বৰূপে আন্দোলনটিৰ বিকাশত আগ-পাছ ঘটিছিল।

পঞ্চদশ শতিকাত অসমতো বহুমুখী প্ৰতিভাৰ অধিকাৰী শ্ৰীমন্ত শংকৰদেৱে নৱ- বৈষ্ণৱ ধৰ্মৰ পাতনি মেলে। শংকৰদেৱে নৱ-বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তন কৰাৰ আগতে অৰ্থাৎ প্ৰাক্ শংকৰী যুগত বৈষ্ণৱ ধৰ্ম আছিল। মূৰ্ত্তি পূজা, তান্ত্ৰিক আচাৰ, ব্ৰাহ্মন্য পূজা ব্যৱস্থা আদি বৈষ্ণৱ ধৰ্মৰ (বিষ্ণু পূজা) লগতে আছিল। এই সময়ত বিষ্ণুৰ উপাসনাৰ লগতে অন্য দেৱতাকো উপাসনা কৰা হৈছিল। শংকৰদেৱে প্ৰথমবাৰ বাৰ বছৰ ধৰি ভাৰতবৰ্ষত তীৰ্থ ভ্ৰমণ কৰিছিল। ভ্ৰমণৰ সময়চোৱাত শংকৰদেৱে গয়া, মথুৰা, বৃন্দাবন, কাশী, পুৰী আদি বিভিন্ন তীৰ্থস্থান দৰ্শন কৰে। দ্বিতীয়বাৰ শংকৰদেৱে ছমাহ কাল তীৰ্থভ্ৰমণ কৰে। এই ভ্ৰমণৰ অভিজ্ঞতাৰ সাৰমৰ্ম স্বৰূপে শংকৰদেৱে অসমত নৱ-বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তন কৰে। "শংকৰদেৱৰ নেতৃত্বত বিকাশ লাভ কৰা বৈষ্ণৱ ধৰ্মৰ নৱ ৰূপটিয়ে এক নতুন মূল্যবোধ আৰু ধৰ্মীয় তথা সামাজিক চেতনা দান কৰিলে। "বিষ্ণু-কৃষ্ণ স্বয়ং ভগৱান সকলো দেৱতা আৰু মায়া ভগৱন্ত কৃষ্ণৰ অধীন।" (শৰ্মা ঃ ২০০৪ ঃ ২৯) নতুন আদৰ্শত কৃষ্ণ উপাসনাৰ অধিকাৰ কেৱল ব্ৰাহ্মণৰ হাতে সীমাবদ্ধ নাথাকিল, বৰং স্ত্ৰী-শূদ্ৰ, চণ্ডাল সকলোৰে বাবে সম অধিকাৰেৰে মুকলি হ'ল - 'কেৱল ভক্তিত তুষ্ট হোন্ত নাৰায়ণ।"

শংকৰদেৱে গীত-নৃত্য, অংকীয়া ভাওনা, বৰগীত, অভিনয়, সাহিত্য চৰ্চ্চা আদিৰ মাধ্যমেৰে মানুহৰ মনত এক নৱ-চেতনা জাগ্ৰত কৰিবলৈ চেষ্টা কৰে। যাৰ ফলত অসমীয়া সমাজ ব্যৱস্থাত এক পৰিৱৰ্তনৰ সূচনা হয়। বিশেষকৈ অসমীয়া সমাজত চলি থকা কু-সংস্কাৰ দূৰ কৰা, সমাজত শৃংখলা তথা শান্তি সম্প্ৰীতি অটুট ৰখাত নৱ-বৈষ্ণৱ ধৰ্মই যথেষ্ট ইতিবাচক প্ৰভাৱ পেলায়। এই ধৰ্মৰ প্ৰচলন আৰু প্ৰসাৰে একাংশ মানুহৰ মনত ভক্তি প্ৰেম ধাৰা, চিন্তা-চেতনা জাগ্ৰত কৰি একেশ্বৰ বাদৰ প্ৰতি মন আকৰ্ষণ কৰে। গছৰ গুৰিত পানী দিলে যিদৰে ইয়াৰ ডাল-পাত, ফল-মূল আদিয়ে লাভ কৰে ঠিক সেইদৰে ভগৱান কৃষ্ণক পূজা কৰিলেই সকলো দেৱতা সন্তুষ্ট হয়। তপ, জঁপ, যজ্ঞ আদিতকৈ ভগৱানৰ নাম কীৰ্ত্তনৰ দ্বাৰাহে ভগৱানক লাভ কৰিব পাৰি। সংস্কৃত ভাষাত ৰচিত 'ভক্তি ৰত্নাকৰ' গ্ৰন্থত শংকৰদেৱে

কৃষ্ণৰ মাহাত্ম্য প্ৰকাশ কৰিছে। শংকৰদেৱে সমাজত এক শৰণ নাম ধৰ্মৰ দ্বাৰা ভাগৱত প্ৰীতিভাৱ জাগ্ৰত কৰি এক পৰম্পৰাৰ সৃষ্টি কৰিবলৈ সক্ষম হয়। শংকৰদেৱৰ প্ৰধান শিষ্য মাধৱদেৱে এই ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰে। মাধৱদেৱেও গুৰুজনাৰ দৰে নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ অৰ্থে বৰগীত, ভটিমা, নাট, নামঘোষা, অংকীয়া নাট, ঝুমুৰা আদিৰ ৰচনা কৰিছিল। এইবোৰে নৱ বৈষ্ণৱ ধৰ্ম সবল কৰাত যথেষ্ট কৃতিত্ব লাভ কৰে।

## ২. অধ্যয়নৰ গুৰুত্ব (Sgnificance of the study) ঃ

ভাৰতবৰ্ষৰ অতীত আধ্যাত্মিকতাৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াৰ সভ্যতাও সনাতন। সভ্যতাৰ ক্ৰমবিকাশত কেবাটাও স্তৰ অতিক্ৰম কৰি আধ্যাত্মিক ভাবধাৰাৰ লগতে পৰিৱৰ্তিত সময়ৰ প্ৰযুক্তি আৰু কাৰীকৰি দিশৰ উত্তৰণে বিশ্বৰ লগতে ভাৰতীয় আধ্যাত্মিক সমাজ ব্যৱস্থাতো প্ৰভাৱ পেলাইছে। সময়ৰ দ্ৰুত পৰিৱৰ্তনে এই কথা মনলৈ আনি দিছে যে ব্যৱহাৰিক জীৱনৰ কৰ্মমুখী আৰু ব্যস্ততাপূৰ্ণ মূহূৰ্তবোৰে মানুহৰ নৈতিক তথা আধ্যাত্মিক দিশত বাৰুকৈয়ে প্ৰভাৱ পেলাইছে। ভত্তিতত্ব, আধ্যাত্মিক আদি দিশত চিন্তা চৰ্চ্চা যথেষ্ট পৰিমানে কমি গৈছে। যান্ত্ৰিক চিন্তাধাৰা আৰু তথা কথিত ব্যক্তিগত জীৱন সৰ্বস্ব চিন্তাধাৰাই সমগ্ৰ সমাজ ব্যৱস্থাক প্ৰভাৱিত কৰিছে। নৱ-প্ৰজন্মৰ ক্ষেত্ৰত এই প্ৰভাৱ বেছি পৰিলক্ষিত হৈছে। ধৰ্ম-সংস্কৃতি, নৈতিক বা আধ্যাত্মিক এইবোৰ দিশৰ প্ৰসংগ আজিৰ যুৱ-সমাজৰ মাজত যথেষ্ট হ্ৰাস পাইছে। ভক্তিভাৱে অথবা ধৰ্মীয় চিন্তা-চেতনাই মানুহৰ মনত শান্তি-সম্প্ৰীতি অটুট ৰখাত সহায় কৰে। অথচ দৈনন্দিন জীৱনৰ ব্যস্ততাপূৰ্ণ কৰ্মসূচীয়ে নৱ-প্ৰজন্মক এই বিষয়ে চিন্তা-চৰ্চ্চা কৰাৰ অৱকাশ নিদিয়ে। অত্যাধিক আশা-প্ৰত্যাশাই যুৱ প্ৰজন্মৰ মাজত অস্থিৰতা আৰু উশৃংখলতা বৃদ্ধিত অৰিহনা যোগাইছে। এই কথা সত্য যে ধৰ্মীয় তথা আধ্যাত্মিক চিন্তাধাৰাৰ জৰিয়তে তেওঁলোকৰ মনৰ অস্থিৰতা দূৰ কৰিব পাৰি। এনে পৰিপ্ৰেক্ষিততে শংকৰদেৱ গুৰুজনাৰ এক শৰণ বৈষ্ণৱ চিন্তাধাৰাৰ ওপৰত ছাত্ৰ-ছাত্ৰীসকলৰ ধাৰণা কেনেকুৱা সেই সম্পৰ্কে জনা অতি আৱশ্যক। সেয়েহে এই অধ্যয়নত বকো অঞ্চলৰ বিশেষকৈ জৱাহৰলাল নেহৰু মহাবিদ্যালয়, ছাত্ৰ-ছাত্ৰীসকলৰ নৱ-বৈষ্ণৱ ধৰ্ম সম্বন্ধে ধাৰণা কেনে তাক জানিবলৈ চেষ্টা কৰা হৈছে।

### ৩. অধ্যয়নৰ শিৰোনাম (Statement of the Problem) ঃ

ওপৰৰ আলোচনাৰ ওপৰত নিৰ্ভৰ কৰি এই অধ্যয়নৰ শিৰোনাম ৰখা হৈছে - 'নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰতি নৱ-প্ৰজন্মৰ মনোভাৱ ঃ এক অধ্যয়ন।'

### ৩.১. অধ্যয়নৰ উদ্দেশ্য (Objectives of the study) ঃ

(ক) ভাৰতবৰ্ষৰ ভক্তি আন্দোলনৰ বিষয়ে অধ্যয়ন কৰা

(খ) অসমত নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰ সম্বন্ধে অধ্যয়ন কৰা

(গ) নৱ-প্ৰজন্মৰ বিশেষকৈ দক্ষিণ কামৰূপত অৱস্থিত জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মনত নৱ-বৈষ্ণৱ সম্বন্ধে ধাৰণা কেনে সেই বিষয়ে অধ্যয়ন কৰা।

(ঘ) ছাত্ৰ-ছাত্ৰীসকলৰ মনত আধ্যাত্মিক চিন্তা চৰ্চ্চা তথা মানসিক উত্তৰণৰ বাবে পৰামৰ্শ আগবঢ়োৱা।

### ৩.২. অধ্যয়ন ক্ষেত্ৰ (Study area) ঃ

দক্ষিণ কামৰূপ জিলাত অৱস্থিত জৱাহৰলাল নেহৰু মহাবিদ্যালয়খন (১৯৬৪ চন) বকো উন্নয়ন খণ্ডৰ অন্তৰ্গত। গুৱাহাটী জালুকবাৰীৰ পৰা এই মহাবিদ্যালয়খন ৫১ কি.মি. পশ্চিম দিশে আৰু ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰে অৱস্থিত। এই মহাবিদ্যালয়খন ৰাভা হাছং স্বায়ত্ব পৰিষদৰ অন্তৰ্গত। ৩৭নং ৰাষ্ট্ৰীয় ঘাই পথ এই মহাবিদ্যালয়ৰ দক্ষিণ দিশে পূবৰ পৰা পশ্চিম দিশলৈ গৈছে। মহাবিদ্যালয়খনৰ পূব দিশে বকো টাউন আৰু বকো থানা, দক্ষিণে মৌমান আশ্ৰম আৰু হালধিপাৰা গাঁও অৱস্থিত। পশ্চিম দিশে যমুনেশ্বৰ দেৱালয় আৰু তৰুণৰাম ফুকন কুষ্ঠ হস্পিতেল আৰু সংৰক্ষিত বনাঞ্চল আৰু উত্তৰ দিশে পাৰ্বতী পাহাৰ আৰু চিচাপীঠ গাঁও অৱস্থিত। মহাবিদ্যালয়খন গ্ৰাম্য অঞ্চলত অৱস্থিত আৰু ইয়াত অনুসূচিত জাতি, অনুসূচিত জনজাতি, অন্যান্য পিছপৰা, সংখ্যালঘু আৰু সাধাৰণ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে। মহাবিদ্যালয়খনিত কলা আৰু বিজ্ঞান উভয় শাখা আছে।

### ৩.৩. অধ্যয়নৰ সীমাবদ্ধতা (Delimefation of the study) ঃ

(ক) এই অধ্যয়ন কেৱল জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজতে সীমাবদ্ধ।

(খ) এই অধ্যয়নে কেৱল ১০০ গৰাকী ছাত্ৰ-ছাত্ৰীক (৩৪ গৰাকী ছাত্ৰ আৰু ৬৬

গৰাকী ছাত্ৰীক যিসকলৰ বয়স ১৮-২২ বছৰ) সামৰিছে।

(গ) এই অধ্যয়ন ৯০ গৰাকী কলা বিভাগৰ আৰু ১০ গৰাকী বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীক সামৰি লৈছে।

(ঘ) এই অধ্যয়নত H.S. II year (Art), H.S II year (Sc), B.A 1st Semester, B.A III Semester, B.A V Semester ৰ ছাত্ৰ-ছাত্ৰীকহে সামৰিছে।

৪.১. পদ্ধতি (Methodology) ঃ

অধ্যয়নৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি এই অধ্যয়নত বৰ্ণনাত্মক জৰীপ পদ্ধতি (Descriptive survey method) ব্যৱহাৰ কৰা হৈছে।

৪.২. নমুনা (Sample) ঃ

মহাবিদ্যালয়খনত ২৪০৮ (২০১৪-১৫ চন) গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত মাত্ৰ ১০০ গৰাকী ছাত্ৰ-ছাত্ৰীকহে নমুনা হিচাপে লোৱা হৈছে।

৪.৩. তথ্য (Data) ঃ

এই অধ্যয়নত প্ৰাথমিক আৰু গৌণ তথ্য ব্যৱহাৰ কৰা হৈছে।

৪.৪. সঁজুলি (Tool) ঃ

এই অধ্যয়নত গৱেষকে নিজে প্ৰস্তুত কৰা প্ৰশ্নসূচী ব্যৱহাৰ কৰিছে। প্ৰশ্নসূচী (Questionnaive) য়ে Thraston Method অনুসৰণ কৰিছে আৰু ইয়াত ১৪ টা প্ৰশ্ন আছে।

৪.৫. তথ্য বিশ্লেষণ আঁচনি (Data plan to Analysis) ঃ

(ক) প্ৰাপ্ত তথ্যসমূহ তালিকাকৰণ কৰা হৈছে।

(খ) প্ৰাপ্ত তথ্যসমূহ শতকৰা হাৰত প্ৰকাশ কৰা হৈছে।

৫. তথ্য বিশ্লেষণ আৰু সিদ্ধান্ত (Data Anatysis and findings) ঃ

তথ্য আহৰণৰ বাবে গৱেষকে নিজে ছাত্ৰ-ছাত্ৰীৰ ওচৰ চাপে। অধ্যয়নৰ পৰা দেখা গৈছে যে ৮৮ শতাংশ নমুনা ছাত্ৰ-ছাত্ৰীয়ে নাম ধৰ্ম সমৰ্থন কৰে। শতকৰা এশভাগ ছাত্ৰ-ছাত্ৰীৰ মতে নাম ধৰ্মই মানুহৰ মনত একতা আনে, মনত ভক্তিভাব জগাই তোলে আৰু শান্তি আনে। সেইদৰে ৫৮ শতাংশ নমুনা ছাত্ৰ-ছাত্ৰীৰ মতে

নৱ-বৈষ্ণৱ ধৰ্মত ভেদভাৱ আছে আৰু ৪২ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে নিৰপেক্ষ ভূমিকা গ্ৰহণ কৰে। আনহাতে ৪৬ শতাংশ ছাত্ৰ-ছাত্ৰীৰ মতে এক শৰণ নাম ধৰ্মৰ শৰণ ল'ব লাগে। ৫৬ শতাংশ নমুনা ছাত্ৰ-ছাত্ৰীৰ মতে শৰণ ললে অসুবিধা হয়। ৯০ শতাংশ নমুনা ছাত্ৰ-ছাত্ৰীৰ নাম প্ৰসংগ কৰিবলৈ সময়ৰ অভাৱ আৰু ১০ শতাংশেই প্ৰাৰ্থনা কৰিবলৈ আগ্ৰহ নাই বুলি মতামত দাঙি ধৰে।

অধ্যয়নত এইটো দেখা গৈছে যে ৮৫ শতাংশ নমুনা ছাত্ৰ-ছাত্ৰীৰ মতে শুভ কামত পূজাৰীৰ প্ৰয়োজন আছে। সেইদৰে ৭৭ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে প্ৰাৰ্থনা কৰিব লাগে বুলি মতামত দাঙি ধৰিলেও ২৩ শতাংশ ৰ মতে ঘৰত প্ৰাৰ্থনা কৰাৰ পৰিৱেশ নাই। আনহাতে ৮৫ শতাংশ ই নাম প্ৰসংগই মানৱীয় গুণৰ বিকাশ সাধন কৰে বুলি মতামত দাঙি ধৰে। ৮০ শতাংশ ৰ মতে শুভকামত হোম যজ্ঞৰ প্ৰয়োজন আছে। শতকৰা এশভাগ নমুনা ছাত্ৰ-ছাত্ৰীয়ে কৃষ্ণ সকলোৰে আদি আৰু অন্ত বুলি সহাৰি জনায় আৰু তেওঁলোকে ভগৱান বিশ্বাস কৰে।

### ৬. পৰামৰ্শ (Suggessions) ঃ

এই অধ্যয়ন তেনেই সীমিত পৰিসৰত কৰা হৈছে। গৱেষকে নিজ অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰ কৰি এই দিশত কেইটামান পৰামৰ্শ আগবঢ়াইছে

(ক) এই অধ্যয়ন বহল পৰিসৰত কৰিব পাৰি।

(খ) কেৱাখনো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত এই অধ্যয়ন কৰিব পাৰি।

(গ) নগৰ আৰু গ্ৰাম্য অঞ্চলৰ শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এই অধ্যয়ন কৰিব পাৰি।

(ঘ) বিভিন্ন ধৰ্ম আৰু নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰতি নৱ-প্ৰজন্মৰ ধাৰণা সম্পৰ্কে এক তুলনামূলক অধ্যয়ন কৰিব পাৰি।

### ৭. সামৰণি (Conclusion) ঃ

দেশৰ জনগণৰ চিন্তা-চেতনা আৰু কৰ্ম দক্ষতাৰ ওপৰতে দেশৰ ভৱিষ্যত তথা প্ৰগতি নিৰ্ভৰ কৰে। বিশেষকৈ নৱ-প্ৰজন্মৰ ধ্যান-ধাৰণা, সুপৰিকল্পিত কৰ্ম কুশলতা, সুশৃংখল আচাৰ-ব্যৱহাৰ, পৰম্পৰা-ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা ভক্তি আদিতে দেশৰ ভৱিষ্যতৰ সপোন নিহিত হৈ থাকে। বৰ্তমান সময়ত দেখা গৈছে বাস্তৱ জীৱনত অত্যাধিক কৰ্ম ব্যস্ততা, প্ৰতিযোগিতামুখী শিক্ষা ব্যৱস্থা, প্ৰযুক্তি বিদ্যাৰ

প্ৰসাৰ আৰু ইয়াৰ ব্যৱহাৰে নৱ-প্ৰজন্মক তেনেই ব্যক্তি কেন্দ্ৰিক কৰি তুলিছে। ফলত তেওঁলোকৰ মনত আধ্যাত্মিক চিন্তা-চেতনাৰ প্ৰতি কোনো ধৰণৰ ধ্যান-ধাৰণাৰ বা অৱকাশ নথকা হৈছে। সামাজিক পৰিৱেশতো আধ্যাত্মিক চিন্তা কৰাৰ তেনে সুবিধা লাভ নকৰে। গতিকে শিক্ষানুষ্ঠান, সামূহিক অনুষ্ঠান, সামাজিক কামকাজৰ মাজত আধ্যাত্মিক চিন্তা চৰ্চা কৰাৰ পৰিৱেশ সৃষ্টি কৰিব পাৰিলে নৱ-প্ৰজন্মৰ ক্ষেত্ৰতো মানৱীয় মূল্যবোধৰ বিকাশ আৰু নৈতিক উত্তৰণ বৃদ্ধি হ'ব। এই অনুষ্ঠান সমূহত বৰগীত, অংকীয়া ভাওনা, ধৰ্মীয় আলোচনা চক্ৰ, গুৰুজনাৰ কাম-কাজ বিষয়ে কৰ্মশালা, পৰ্যালোচনা আদিৰ ব্যৱস্থা কৰিলে সামগ্ৰিকভাৱে নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰতি নৱ-প্ৰজন্মৰ আকৰ্ষণ নিশ্চয় বাঢ়িব। ইয়ে ভাৰতীয় সমাজ ব্যৱস্থাত নৱ-বৈষ্ণৱ ধৰ্মৰ স্থিতি আৰু এখোপ ওপৰলৈ আগবাঢ়ি যোৱাত সহায়ক হ'ব। শেষত বিখ্যাত বিজ্ঞানী আইনষ্টাইনৰ এষাৰ কথা ক'ব পাৰি "Science Without religion is blind and religion without Science is lome. If the two could play complementary role, humanity would get closer to the ultimate goal of peace both individually and collectively."

**প্ৰসঙ্গ পুথি ঃ**


Adhikarya and Adhikare, N.K (Ed 2014) : Place of Assam in Indian Society, Culture and Economy. vol- 1 published by NSOC, D.K.G. college, Mirza.

গুহ, অমলেন্দু (১৯৯৩) ঃ বৈষ্ণৱ বাদৰ পৰা মায়ামৰীয়া বিদ্ৰোহলৈ, ষ্টুডেণ্টচ্ ষ্টৰচ, গুৱাহাটী -১

দাস, পৰশমণি (২০১৩) ঃ বিশ্বদৰবাৰত শ্ৰীমন্ত শংকৰদেৱ, মধুচয়নিকা প্ৰকাশন, গুৱাহাটী -১

বেজবৰুৱা, লক্ষ্মীনাথ (১৯১৪) ঃ মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ, লয়াছ্ বুক ষ্টল, গুৱাহাটী -১

শৰ্মা, কুমুদ চন্দ্ৰ (২০০৪) ঃ বৈষ্ণৱ ভক্তি বাদ শংকৰদেৱ আৰু মাধৱদেৱৰ সাহিত্য আলোচনা,

'হৈমন্তিকা' জাপাৰ কুছি, নলবাৰী ।

শৰ্মা, নবীন চন্দ্ৰ (২০১৩) ঃ অসমীয়া ভক্তি সাহিত্য

স্নাতকোত্তৰ পাঠ্যক্ৰম, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় গুৱাহাটী - ৬